# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
-------------------

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন বৈঠকত অংশ লৈ ছেপ্তেম্বৰত হ'বলগীয়া স্বাস্থ্য শিবিৰৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিষয়াসকলক এই শিবিৰৰ বাবে সকলো কাম নিয়াৰিকৈ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ১৮ বছৰ অনূৰ্ধ ল'ৰা-ছোৱালীৰ বাবে ৰাজ্যজুৰি ছেপ্তেম্বৰত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰাৰ পৰিকল্পনা কৰিছে। এই শিবিৰত হৃদৰোগ, স্নায়ুৰোগ, জেনেটিক ৰোগ, যকৃৎ তথা বৃক্ক ৰোগ, চকু, কাণৰ ৰোগকে ধৰি ৫০ বিধ ৰোগ চিনাক্ত কৰি যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

ooooo

সাংসদ অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে সাংসদ এলেকা উন্নয়ন পুঁজি কেলেংকাৰিৰ গোচৰৰ আনুষ্ঠানিক বিচাৰ প্ৰক্ৰিয়া আজিৰে পৰা বিশেষ ন্যায়াধীশৰ আদালতত আৰম্ভ হৈছে। সেই অনুসৰি আজি অভিযুক্ত নিলম্বিত অতিৰিক্ত আয়ুক্ত শৰ্মিষ্ঠা বৰা, সহকাৰী আয়ুক্ত হেমন্ত কুমাৰ দত্ত, অভিযন্তা দিগন্ত কলিতা আৰু নিৰ্মাণ সমিতিৰ বিষয়ববীয়া বিশ্বজিৎ ডেকাক বিশেষ আদালতত হাজিৰ কৰোৱা হয়। আদালতে আজি চাৰিওগৰাকী অভিযুক্তৰ জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে সাংসদ এলেকা উন্নয়ন পুঁজিৰ কেলেংকাৰি সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে ১৩জন অভিযুক্তৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছিল। এনে অভিযোগনামাৰ ভিত্তিত আদালতে ইতিমধ্যে ১২জনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। ৰাজ্যসভাৰ অধ্যক্ষৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ নকৰাৰ বাবে সাংসদ অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে আদালতত এই পৰ্যন্ত গোচৰ লোৱা নাই বুলি অধিবক্তাই জনাইছে। মুখ্যমন্ত্ৰী তদাৰকী কোষে অভিযোগনামা দাখিল কৰা অভিযুক্তসকলৰ ভিতৰৰ পাঁচজন চৰকাৰী বিষয়া আৰু বিভিন্ন নিৰ্মাণ সমিতিৰ বিষয়ববীয়া আৰু সদস্য আছে।

আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে সাংসদ এলেকা উন্নযন পুঁজিৰ অধীনত কামৰূপ মহানগৰ জিলাত ৪৪টা পথ নিৰ্মাণৰ আঁচনি লোৱা হৈছিল আৰু ইয়াৰ ভিতৰত ২২খন আঁচনিৰ কাম সম্পূৰ্ণ হয়। ইপিনে, ১৭খন আঁচনিৰ কামৰ কোনো তথ্য লাভ কৰা নহ'ল বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ তদন্তত প্ৰকাশ পাইছে।

ooooo

নিৰ্বাচনী ব্যৱস্থা আৰু ন্যায়িক নিযুক্তিৰ ক্ষেত্ৰত বড়ো ভাষাক সম ভাষিক অধিকাৰ আৰু মৰ্যাদা প্ৰদানৰ দাবীৰে সদৌ বড়ো ছাত্ৰ সন্থা- এবছুৱে আজি ৰাজ্যিক নিৰ্বাচন আয়োগ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ক দুখন স্মাৰক পত্ৰ দাখিল কৰে। সংগঠনটোৱে ৰাজ্যিক নিৰ্বাচন আয়োগক দাখিল কৰা স্মাৰক পত্ৰত বিটিচিৰ ভোটাৰ

তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশৰ বাবে দাবী জনায়। গুৱাহাটী উচ্চ ন্যায়ালয়ক প্ৰদান কৰা আনখন স্মাৰক পত্ৰত এবছুৱে ন্যায়ালয়ৰ অধীনৰ নিযুক্তি পৰীক্ষাসমূহত বড়ো ভাষাক অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়।

উল্লেখযোগ্য যে সংগঠনটোৱে কালি বিটিচিৰ সমাগত নিৰ্বাচনৰ  বাবে ভোটদাতাৰ তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশ কৰাৰ বাবে সদৌ বড়ো ছাত্ৰ সন্থা-এবছুৱে দাবী উত্থাপন কৰিছিল। অসম চৰকাৰী ভাষা সংশোধনী আইন ২০২০ অনুসৰি এই ব্যৱস্থা ল'বলৈ সংগঠনটোৱে দাবী  জনায়। এখন সংবাদমেলত এবছুৰ সভাপতি দীপেন বড়োৱে এই আহ্বান জনোৱাৰ বিটিআৰৰ উপৰি বড়ো জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলসমূহৰ চৰকাৰী কাম-কাজত বড়ো ভাষা ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সোণাপুৰত আজি পুৱা মানকাচৰ আৰক্ষীয়ে গুৱাহাটীৰ পৰা অহা নৈশ বাছ এখনৰ পৰা বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনৰ পৰা ৫০ হাজাৰটা নিচাজাতীয় টেবলেট উদ্ধাৰ কৰে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবীয়ে আজি এখন সংবাদমেলত এই বিষয়ে উল্লেখ কৰি কয়, যে জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য ১০ কোটি টকাৰো অধিক হ'ব। এই নিচাজাতীয় টেবলেটখিনি মানকাচৰৰ পৰা বাংলাদেশলৈ সৰবৰাহৰ চেষ্টা চলোৱা হৈছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা ছমাহত জিলাখনৰ কমেও ৪৫টা স্থানত আৰক্ষীয়ে মাদক দ্ৰব্য জব্দ কৰিছে।

ইপিনে, জাগীৰোড ৰে'ল ষ্টেচনৰ সমীপৰ পৰা আজি বৃহৎ পৰিমাণৰ মাদক দ্ৰব্যৰ লগতে এগৰাকী মহিলাক আটক কৰা হয়। মণিপুৰৰ ২৫ বছৰীয়া মহিলাগৰাকীয়ে ৯টা চাবোনৰ বাকচত হেৰ'ইন ভৰাই আনিছিল। জব্দ কৰা হেৰ'ইনখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত মূল্য প্ৰায় ৫ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মণিপুৰৰ পৰা নৈশ বাছেৰে আহি জাগীৰোডত উপস্থিত হোৱা মহিলাগৰাকীৰ গতিবিধিত সন্দেহ ওপজাত দণ্ডাধীশৰ উপস্থিতিত আৰক্ষীয়ে তালাচী চলাই মাদকদ্ৰব্যসমূহ জব্দ কৰে। উল্লেখযোগ্য যে এই সৰবৰাহ কাৰ্যত এটা বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰি আৰক্ষীয়ে মণিপুৰৰ মহিলাগৰাকীক সোধা-পোছা কৰি আছে।

০০০০০

ৰাজ্যৰ প্ৰথম আৰু শ্ৰেষ্ঠ পৰিস্কাৰ গাঁও গোৱালপাৰা জিলাৰ ৰাংচাপাৰাত বঙাইগাঁও শোধনাগাৰৰ এটা দলে যোৱা ১ জুলাইৰ পৰা স্বচ্ছতা পযেক অনুষ্ঠিত কৰিছে। পৰিচ্ছন্নতাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ বাবে এই অভিযানৰ আয়োজন কৰা হৈছে। আজি বঙাইগাঁও শোধনাগাৰৰ দুগৰাকী বিষয়াসহ কৰ্মচাৰীৰ এটা দলে গাঁওখনত উপস্থিত হৈ সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে গাঁওখন চাফ-চিকুণ কৰাত সহায় হোৱাকৈ বিভিন্ন সামগ্ৰী প্ৰদান কৰে।

০০০০০

সমাপ্ত